**অসম বিধান সভা**

**লিখিত প্ৰশ্ন নং : ২৮৫**

**উত্তৰ দিয়াৰ তাৰিখ – ১৩/০৭/২০২৬**

**বিষয়ঃ হাজোৰ পিতল শিল্প** **সদস্যৰ নামঃ শ্ৰীপ্ৰকাশ চন্দ্ৰ দাস**

২৮৫। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ ঐতিহাসিক হস্তশিল্প কেন্দ্ৰ হাজোৰ পিতল শিল্প বৰ্তমান কেঁচা সামগ্ৰীৰ মূল্যবৃদ্ধি, আধুনিক বজাৰৰ অভাৱ আৰু পুঁজিৰ নাটনিৰ বাবে এক গভীৰ সংকটৰ মাজেৰে গতি কৰিছে। এই সন্দৰ্ভত চৰকাৰ জ্ঞাত নে?

(খ) যদিহে জ্ঞাত, এই থলুৱা উদ্যোগটোক পুনৰুজ্জীৱিত কৰিবলৈ আৰু ইয়াৰ সৈতে জড়িত থকা হাজো আৰু ইয়াৰ প্ৰতিৱেশী অঞ্চলৰ শ শ কাৰিগৰ পৰিয়ালৰ আৰ্থিক সুৰক্ষা নিশ্চিত কৰিবলৈ চৰকাৰে বৰ্তমান কি কি বিশেষ আঁচনি গ্ৰহণ কৰিছে?

(গ) হাজোৰ পিতলৰ বাচন-বৰ্তন আৰু সামগ্ৰীসমূহক গোলকীয় বজাৰত চিনাক্তকৰণ কৰিবলৈ ইয়াৰ ভৌগোলিক স্বীকৃতি (GI-Tag) প্ৰদানৰ বাবে চৰকাৰে কোনো পদক্ষেপ হাতত লৈছে নেকি? যদি লৈছে, বৰ্তমান ইয়াৰ স্থিতি কি?

(ঘ) কাৰিগৰ সকলক মধ্যভোগীৰ শোষণৰ পৰা ৰক্ষা কৰিবলৈ আৰু তেওঁলোকক পোনপটীয়াকৈ সুলভ মূল্যত কেঁচা সামগ্ৰী যোগান ধৰিবৰ বাবে হাজোত এটা চৰকাৰী কেঁচা সামগ্ৰীৰ বেংক স্থাপন কৰাৰ কোনো পৰিকল্পনা চৰকাৰৰ আছেনে?

(ঙ) নতুন প্ৰজন্মক এই পৰম্পৰাগত শিল্পৰ প্ৰতি আকৰ্ষিত কৰিবলৈ আৰু আধুনিক ডিজাইনৰ প্ৰশিক্ষণ দিবৰ বাবে হাজোত এটা অত্যাধুনিক ডিজাইন আৰু প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ বাবে চলিত বৰ্ষৰ বাজেটত কোনো পুঁজি ধাৰ্য্য কৰা হৈছে নেকি?

**<u>উত্তৰঃ</u>**

মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়া দেৱে উত্তৰ দিবঃ

(ক) উদ্যোগ বিভাগে অসমৰ ঐতিহাসিক হস্তশিল্প কেন্দ্ৰ হাজোৰ পিতলৰ শিল্প উন্নয়নৰ বাবে বদ্ধপৰিকৰ। বজাৰৰ চাহিদা অনুপাতে পিতলৰ কেচাঁমালৰ যোগান পৰ্য্যাপ্ত নহয় আৰু ফলস্বৰূপে এই উদ্যোগৰ লগত জড়িত শিল্পীসকলে অনুকুল বজাৰ দখল কৰিব পৰা নাই।

উদ্যোগ বিভাগে এই শিল্পীসকলৰ উন্নয়নৰ বাবে হাজোৰ ফকিৰতলাত Common Facility Centre স্থাপন আৰু লগতে কেঁচামালৰ বেংক গঠন কৰিছিল। পৰৱৰ্তী সময়ত MSE-CDP আঁচনিৰ অধীনত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ সহযোগত মুকলি কৰি দিছিল।

উদ্যোগ বিভাগে বৰ্তমান পৰিস্থিতিৰ ওপৰত পৰ্য্যালোচনা কৰিব আৰু ইয়াৰ ওপৰত প্ৰয়োজন অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

(খ) মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী আৰু গতিশীল নেতৃত্বৰ লগতে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ অটল সহযোগিতা আৰু দিক নিৰ্দেশনাত এই থলুৱা উদ্যোগৰ লগত জড়িত থকা হাজো আৰু ইয়াৰ প্ৰতীৱেশী অঞ্চলৰ শ শ কাৰীকৰ পৰিয়ালৰ আৰ্থিক সুৰক্ষা নিশ্চিত কৰিবলৈ চৰকাৰে বৰ্ত্তমান নিম্নোক্ত আচঁনিসমূহ গ্ৰহণ কৰিছে-

1. পি.এম. বিশ্বকৰ্মা আঁচনি (PM Vishwakarma)
2. মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA)
3. প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি আঁচনি (PMEGP) ইত্যাদি ।

(গ) হাজোৰ পিতল শিল্পক ভৌগোলিক স্বীকৃতি (Geographical Indication-GI) প্ৰদানৰ ক্ষেত্ৰত জনোৱা যায় যে, ভৌগোলিক সূচক (সামগ্ৰীৰ পঞ্জীয়ন আৰু সুৰক্ষা) আইন, ১৯৯৯ আৰু তাৰ অধীনত প্ৰণীত বিধিমালাৰ নিয়ম অনুসৰি সংশ্লিষ্ট সামগ্ৰীৰ উৎপাদকসকলৰ স্বাৰ্থ প্ৰতিনিধিত্ব কৰা সংস্থা, সমিতি অথবা আইন অনুসৰি গঠিত কৰ্তৃপক্ষই প্ৰয়োজনীয় তথ্য-প্ৰমাণ, সামগ্ৰীৰ বিশেষ বৈশিষ্ট্য, উৎপাদন এলেকাৰ মানচিত্ৰ, উৎপাদকসকলৰ বিৱৰণ, ঐতিহাসিক তথ্য-প্ৰমাণ আদি নিৰ্ধাৰিত আবেদন-পত্ৰ আৰু মাচুলসহ চেন্নাইস্থিত ভৌগোলিক সূচক পঞ্জীয়ক (Registrar of Geographical Indications)-ৰ ওচৰত আবেদন দাখিল কৰিব লাগে। আবেদনখন বিশেষজ্ঞৰ দ্বাৰা মূল্যায়িত হোৱাৰ পিছত, Geographical Indications Journal-ত প্ৰকাশ কৰা হয় আৰু তিনি মাহৰ ভিতৰত অইন কোনেও আপত্তি নজনালে আবেদনখন যোগ্য বিবেচিত হয় আৰু সংশ্লিষ্ট সামগ্ৰীক GI পঞ্জীয়ন (GI Registration) প্ৰদান কৰা হয়।

এইক্ষেত্ৰত উপযুক্ত উৎপাদক সংস্থা আগবাঢ়ি আহিলে ভৌগোলিক স্বীকৃতি (Geographical Indication-GI) ৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব পৰা যাব।

(ঘ) কেঁচা সামগ্ৰীৰ বেংক স্থাপন কৰাৰ ক্ষেত্ৰত জনাব বিচাৰো যে অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ আৰ্থিক সহযোগত ৭৫ লাখ টকা ব্যয়েৰে হাজোৰ ফকিৰতলাত এটা কেঁচামাল বেংক স্থাপন কৰা হৈছিল আৰু পৰিবৰ্ত্তিত সময়ত এইটো বন্ধ হৈ গৈছিল। চৰকাৰে এইটো কেঁচামালৰ বেংক কাৰ্য্যক্ষম কৰাৰ চৰ্চা কৰিব।

(ঙ) নতুন প্ৰজন্মক এই পৰম্পৰাগত শিল্পৰ প্ৰতি আকৰ্ষিত কৰিবলৈ আৰু আধুনিক ডিজাইনৰ প্ৰশিক্ষণ দিবৰ বাবে হাজোত এটা অত্যাধুনিক ডিজাইন আৰু প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ বাবে চলিত বিত্তিয় বৰ্ষৰ বাজেটত ধন ধাৰ্য্য কৰা হোৱা নাই যদিও প্ৰয়োজন সাপেক্ষে ভবিষ্যতে এনেকুৱা কেন্দ্ৰৰ বাবে বাজেটত ধন ধাৰ্য্য কৰা হ’ব পাৰে ।

***************